প্রসংগক্রমে উল্লেখ কৰি যাওঁ যে লোকগীতৰ এটি ভাগ 'মালিতা' সম্পর্কে ইতিমধ্যে আপুনি সাহিত্যৰ বুৰঞ্জীত বহলাই অধ্যয়ন কৰি আহিছে। সেয়ে এই অধ্যায়টোত মালিতা মানে কি সেই বিষয়ে আলোচনা কৰা নাযাব। মন কৰিবলগীয়া যে আধুনিক সাহিত্যতো পুৰণি মালিতাৰ আৰ্হিত এবিধ সাহিত্যিক মালিতাৰ সৃষ্টি কৰা হৈছে। প্রধানকৈ কল্পনাৰ ভেঁটিত ৰচিত কাৰণে এই গীত শ্রেণীক কাল্পনিক বা কৃত্রিম কাহিনী প্রধান গীত বা কৃত্রিম মালিতা বুলি কোৱা যায়। লক্ষ্মীনাথ বেজবৰুৱাৰ 'ধনবৰ আৰু ৰতনী', চন্দ্রকুমাৰ আগৰৱালৰ 'তেজীমাল', 'জলকুঁৱৰী' আদি এনে শ্রেণীৰ গীত। ইয়াৰে 'ধনবৰ আৰু ৰতনী' কবিতাটোৰ বিষয়ে এই অধ্যায়টোত বহলাই আলোচনা কৰা যাব।

৫.৩ ধনবৰ আৰু ৰতনী

লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত 'ধনবৰ আৰু ৰতনী' কৃত্রিম কাহিনী প্রধান গীতৰ আৰ্হিত ৰচিত কবিতা। তলত কবিতাটোৰ মূল পাঠখিনি তুলি দিয়াৰ লগতে কবিতাটোত প্রতিফলিত বিভিন্ন দিশ সম্পর্কে বহলাই আলোচনা দাঙি ধৰা হ'ল।

৫.৩.১ মূল পাঠ

উজায়ে আহিলে ভাটীৰে ৰতনী
বুকুৰে মাধুৰী লৈ,
ভটীয়াই গ'লে ঐ শাহটো সামৰি
মোলৈ খোলাটো থৈ।

কৰে ঐ ৰতনী ! কৰে ঐ শাখিনী
কিনো কুটেশালে তই !
সকলো লুটিলি ধনাইকে বধিলি
কেনেকৈ জী থাকোঁ মই ?

পর্বতে পর্বতে বগাব পাৰোঁ মই
লতা বগাবলৈ টান,
ৰতনী সোণাইকে বৰাব পাৰোঁ মই
মাকক বুজাবলৈ টান।

বগাকৈ বগলী উৰে কেনে কৰি
পাখিতে পাখি লগাই

ফুটুকাৰ তলতে যখিনী ছোৱালী
টুক্ টুক্ চাপৰি বায়,
ধনাইৰে ছাঁতে ৰতনী নহৈ ঐ,
কোনে তাৰ মুখলৈ চায়?

নৈৰে পাৰতে কৰে এৰাবাৰী
চপৰা চপৰে খহে !
লুইতৰ পাৰতে কৰে ধনবৰ
ৰতনীৰ বেজাৰত জাহে?

যাগৈ ৰতনী ! নাহিবি নাহিবি
বিচাৰি নাহিবি মোক!
তোৰে ধনবৰ ভিকহুৰ ভিকহু
পৃথিৱীত থৈ যাব শোক

বোপাই মোৰ লুইত ! ঐ সামৰি লোৱা মোক,
কোলাত থান এফেৰি দিয়াঁ,
ৰতনী হেৰাল মোৰ, সকলো পৰিল ওৰ,
আৰু মোৰ একো নাইকিয়া !
(নৈত পৰা শব্দ)

* ৰতনী যোৱা নাওখনৰ টিংটো সেন্দুৰেৰে বোলোৱা আছিল।

৫.৩.২ কবিতাটোৰ বিষয়বস্তু

লক্ষ্মীনাথ বেজবৰুৱাৰ ‘ধনবৰ আৰু ৰতনী’ কবিতাটো মাজেৰে এটি কাহিনী প্রকাশ পোৱাৰ বাবে আৰু গীতিব্যঞ্জক তথা সুৰ ধৰি গাব পৰা ধৰণৰ হোৱা বাবেই ইয়াক মালিতা বা বেলাড বুলিব পাৰি। ‘ধনবৰ আৰু ৰতনী’ কবিতাটোৰ মূল কথাখিনি এনেধৰণৰ— শিৱসাগৰ জিলাৰ দিখৌমুখৰ ষোল্লবছৰীয়া ডেকা ধনবৰহঁতৰ ঘৰলৈ ধনশিৰী মুখৰ ৰতনী মাক-বাপেকৰ সৈতে উজাই আহি কিছুদিন আছিলহি। এইদৰে থাকোঁতেই ধনবৰ ৰতনীৰ প্রেমত পৰিল। আলহী হিচাপে অহা ৰতনীক ধনবৰে নিজৰ কৰি ল’বলৈ বিচাৰিলে। কিন্তু ৰতনীৰ মাকে টোকোনা ধনবৰলৈ ৰতনীক দিব নুখুজিলে। সেয়েহে এদিন মাকে ৰতনীক লৈ নাঁৱৰ সেন্দুৰী টিঙতে বহি চিৰদিনৰ বাবে আঁতৰি গুচি গ’ল। ৰতনী গুচি যোৱাৰ দুখ ধনবৰে সহজভাৱে ল’ব নোৱাৰিলে। ৰতনীৰে সৈতে বিচ্ছেদৰ দুখ সহিব নোৱাৰি ধনবৰে লুইতৰ পাৰতে বেজাৰ কৰি থাকিল আৰু

কবিতাত প্ৰভাৱ পেলাইছিল। 'ধনবৰ আৰু ৰতনী', 'ভ্ৰম', 'বিহ', 'বীণ বৰাগী', 'ৰতনীৰ বেজাৰ' আদি ইয়াৰ উৎকৃষ্টতম নিদৰ্শন। প্ৰেমৰ বিষয়তো বেজবৰুৱাৰ ৰোমাণ্টিকতা বিশেষভাৱে আকৰ্ষণীয়, এক কথাত ক'ব পাৰি বেজবৰুৱাৰ কবিতাৰ কেন্দ্ৰীয় ভাব প্ৰেম। বেজবৰুৱাৰ দৃষ্টিত "প্ৰেমেই জগতৰ ধৰণী, প্ৰেমত ঘূৰিছে ভূ-মণ্ডল, প্ৰেমত ফুলিছে শতদল।" এই প্ৰেম কেইবাটিও ধাৰাত বিভক্ত হৈছে — মানৱপ্ৰেম, স্বদেশ প্ৰেম আৰু ভগবৎ প্ৰেম। আমাৰ আলোচ্য কবিতাটোতো মানৱ প্ৰেমৰ এক সৰল গ্ৰামীণ ৰূপ বৰ্ণিত হৈছে।

বেজবৰুৱাৰ কবিতাৰ আন এটা উল্লেখযোগ্য দিশ হৈছে নৈসৰ্গিক ৰূপ-কল্পনা। তেওঁৰ কেইটামান কবিতাত নৈসৰ্গিকতাই তাৰ স্বাভাৱিক প্ৰাত্যাহিকতাৰ মাজতো মানৱীয় হৈ উঠে আৰু এক অপাৰ্থিৱ বিৱহৰ সাজ পিন্ধি মূৰ্ত চেতন হৈ উঠে। 'ধনবৰ আৰু ৰতনী' ইয়াৰ উৎকৃষ্ট উদাহৰণ। কবিতাটোত বিষাদবোধ এনে মৰ্মস্পৰ্শী হৈ উঠিছে যে শাৰীৰিক অস্তিত্বৰ কথাও ইয়াত গৌণ হৈ উঠিছে। কবিৰ কবিসত্ত্বা ইয়াত আত্মাৰ স'তে বিলীন হৈ গৈছে। ধনবৰৰ শূন্যতা বাংময় হৈ উঠিছে খোলাৰ অভিব্যঞ্জনাৰে। সেই বাবেই এম. কামানুদ্দিন আহমেদে মত পোষণ কৰিছে — নৈসৰ্গিক এই ৰূপ-কল্পনাত কবিৰ সৃষ্টিশীলতা সাৰ পাই উঠিছে।

সামগ্ৰিকভাৱে এয়াই ক'ব পাৰি যে, কবি বেজবৰুৱাৰ 'ধনবৰ আৰু ৰতনী' কবিতাটোও তেওঁৰ ৰমন্যাসিক চিন্তা-ধাৰাৰ অন্যতম স্বাক্ষৰ। প্ৰেম-বিচ্ছেদ আৰু কৰুণ ৰসৰ সমন্বয়েৰে এটা নিৰ্ভেজাল আৰু অকৃত্ৰিম প্ৰেমৰ ছবি কবিতাটোৰ মাজত ফুটি উঠিছে। বনগীতৰ সুৰত ৰচনা কৰা এক শোকৰ গাথাঁই হৈছে 'ধনবৰ আৰু ৰতনী'; য'ত এহাল ডেকা-গাভৰুৰ প্ৰেমৰ কৰুণ চিত্ৰৰ ৰূপায়ন ঘটিছে। সহজ সৰল আৰু অকৃত্ৰিম চহা-জীৱনৰ মধুৰ চিত্ৰৰ প্ৰতিচ্ছবি কবিতাটিৰ মূল সম্পদ। অসমীয়া জনজীৱনৰ মনোৰম ছবি এখনৰ লগতে প্ৰকৃতি জগতখনৰ লগত গঢ়ি উঠা আত্মীয়তাও ইয়াত সুন্দৰকৈ প্ৰকাশ পাইছে। ধনবৰৰ বিলাপৰ মাজেদি ফুটি উঠা বেদনাৰ তীব্ৰতাই সংবেদন পাঠকৰ অন্তৰত সহানুভূতি জগাই তোলে। এজন সাধাৰণ গ্ৰাম্য ডেকাৰ নিৰ্ভেজাল অনুভৱ অনুভূতিৰ মাজত কবিৰ মনস্তাত্ত্বিক বিচৰণ। নিভাজ অসমীয়া শব্দচয়নেৰে এই শোক গীতটোৱে পাঠকৰ মনত গভীৰ সাচঁ বহুৱাব পাৰিছে। ইয়াতেই কবিৰ আৰু কবিতাটোৰ সাৰ্থকতা প্ৰতিপন্ন হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বেজবৰুৱাৰ 'ধনবৰ আৰু ৰতনী' কোন শ্ৰেণীৰ কবিতা?

.....

বেদনাত জর্জৰিত হৈ ধনবৰে লুইতত জাঁপ দি মৃত্যুক আঁকোৱালি লয় — এই কাহিনীটোৰ পৰা প্রমাণ হয় যে ধনবৰ আৰু ৰতনীৰ কাহিনীভাগ সু-সংগবদ্ধ আৰু নিটোল।

কৃত্রিম কাহিনী প্রধান গীতৰ দ্বিতীয় বৈশিষ্ট্য হিচাপে সহজ সৰল আৰু অকৃত্রিম চহা জীৱনৰ মধুৰ প্রতিচ্ছবি 'ধনবৰ আৰু ৰতনী'ত দেখা যায়। প্রকৃতিৰ উন্মুক্ত কোলাত লালিত পালিত জীৱনো প্রকৃতিৰ দৰেই অকৃত্রিম। ৰতনীক নোপোৱাৰ দুখতে ধনবৰে লুইতত জাঁপ দি মৃত্যুবৰণ কৰাৰ কথাই ধনবৰৰ অকৃত্রিম প্রেমৰ ইঙ্গিত বহন কৰে।

অতি-প্রাকৃত পৰিৱেশৰ বর্ণনা এনে গীতৰ আন এটি বৈশিষ্ট্য। সাধাৰণতে যিবোৰ কথা বা পৰিস্থিতি বাস্তৰ জগতত নঘটে, তেনেধৰণৰ পৰিস্থিতিৰ বর্ণনাকে অতি-প্রাকৃত বর্ণনা বুলি কোৱা হয়। আলোচ্য কবিতাটিতো এনে বর্ণনা পোৱা যায়—

ফুটুকাৰ তলতে যখিনী ছোৱালী
টুক্ টুক চাপৰি বায়।

কৰুণ ৰসৰ প্রাধান্যও কৃত্রিম কাহিনী প্রধান গীতৰে এটি বৈশিষ্ট্য। 'ধনবৰ আৰু ৰতনী' কবিতাটিও কৰুণাত্মক। ইয়াত এহাল ডেকা গাভৰুৰ প্রণয় আৰু বিচ্ছেদ ব্যথিত ডেকাই আত্মহত্যা কৰাৰ বর্ণনা আছে। আনহাতে ৰতনীক নোপোৱাৰ দুখত ধনবৰৰ যি বিৰহ বেদনা সেয়াও আছিল কৰুণ ৰসাত্মক।

প্রকাশভঙ্গীৰ ঋজুতা ধনবৰ আৰু ৰতনী কবিতাটোতো দেখা যায়। যেনে—

পর্বতে পর্বতে বগাব পাৰোঁ মই
লতা বগাবলৈ টান,
ৰতনী সোনাইকে বৰাৰ পাৰোঁ মই
মাকক বুজাবলৈ টান।

অর্থহীন বাক্যৰ প্রয়োগ 'ধনবৰ আৰু ৰতনী' কবিতাটোতো দেখা গৈছে। যেনে— (ক) গঙাতে উৰিল ঐ গঙাৰে চিলনী
বালিতে উৰিল ঐ ঘোঁৰা।
(খ) চৰায়ে তুলিলে ঐ ছ'ৰা পোৱালী
গছৰ ডাল ওৰলি কৰি।

আনহাতে, কৃত্রিম ছন্দৰ প্রয়োগেও কবিতাটিক কৃত্রিম কাহিনী প্রধান গীতৰ মর্যাদা প্রদান কৰিছে। শব্দ চয়ন, সুৰাত্মক ধ্বনি আৰু শব্দৰ প্রয়োগ, প্রাকৃতিক উপমা আদিৰ প্রয়োগে 'ধনবৰ আৰু ৰতনী'ক কৃত্রিম কাহিনী প্রধান গীতৰ সমল প্রদান কৰিছে। গতিকে, ক'ব পাৰি বেজবৰুৱাৰ 'ধনবৰ আৰু ৰতনী' নিঃসন্দেহে এটি শ্রেষ্ঠ কৃত্রিম কাহিনী প্রধান বা কৃত্রিম বেলাড গীত।



৫.৫ অধিক জানিবলৈ

১) অসম প্ৰকাশন পৰিষদ (২০০৭); *লক্ষ্মীনাথ বেজবৰুৱা;* অসম প্ৰকাশন পৰিষদ।
২) বৰা, প্ৰাণজিৎ (সম্পা.) (২০১৪); *লক্ষ্মীনাথ;* গুৱাহাটী ঃ পাঞ্চজন্য।
৩) ভৰালী, অজিত (সম্পা.) (২০১৬); *লক্ষ্মীনাথ বেজবৰুৱাৰ নিৰ্বাচিত অসমীয়া সাহিত্য;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
৪) শইকীয়া, নগেন (সম্পা.)(২০১০); *বেজবৰুৱা ৰচনাৱলী;* গুৱাহাটী ঃ বনলতা।
৫) শৰ্মা, শশী (১৯৮৯); *ৰসৰাজ বেজবৰুৱা;* গুৱাহাটী ঃ দত্ত বৰুৱা এণ্ড কোম্পানী।



৫.৬ অগ্ৰগতিৰ খতিয়ান

১ নং **প্ৰশ্নৰ উত্তৰ ঃ** বেজবৰুৱাৰ 'ধনবৰ আৰু ৰতনী' কৃত্ৰিম মালিতা বা বেলাড শ্ৰেণীৰ কবিতা।

২ নং **প্ৰশ্নৰ উত্তৰ ঃ** সহজ-সৰল আৰু অকৃত্ৰিম চহা জীৱনৰ মধুৰ চিত্ৰৰ প্ৰতিচ্ছবি 'ধনবৰ আৰু ৰতনী' কবিতাটোৰ মূল বৈশিষ্ট্য।

৩ নং **প্ৰশ্নৰ উত্তৰ ঃ** জগতত আপোন বুলিবলৈ কোনো নোহোৱা ধনবৰে ৰতনীকে আপোন কৰি ল'ব খুজিছিল। কিন্তু তাৰ সপোন সপোন হৈয়ে ৰ'ল। মাকৰ সৈতে ৰতনী তাৰ জীৱনৰ পৰা গুচি গ'ল আৰু ৰতনীৰ বেজাৰত সি লুইতৰ বুকুত জাঁপ দিলে।

৪ নং **প্ৰশ্নৰ উত্তৰ ঃ** কৃত্ৰিম কাহিনী প্ৰধান গীতৰ ৰচনা প্ৰণালী কলাত্মক। এনে গীতত সুসংবদ্ধ কাহিনী, অতি বাস্তৱ পৰিস্থিতিৰ বৰ্ণনা, বীৰ নাইবা কৰুণ ৰসৰ প্ৰাধান্য, প্ৰকাশভংগীৰ অকৃত্ৰিমতা, বিষাদাত্মক বা কৰুণাত্মক পৰিণতি আৰু কবিৰ ব্যক্তিগত জীৱনৰ ভাবানুভূতিৰ প্ৰতিফলন দেখা যায়।

৫ নং **প্ৰশ্নৰ উত্তৰ ঃ** অতি-প্ৰাকৃত পৰিৱেশৰ বৰ্ণনা কৃত্ৰিম কাহিনী প্ৰধান এটা অন্যতম বৈশিষ্ট্য। সাধাৰণতে যিবোৰ কথা বা পৰিস্থিতিৰ বাস্তৱ জগতত নঘটে, তেনেধৰণৰ পৰিস্থিতিৰ বৰ্ণনাকে অতি-প্ৰাকৃত বৰ্ণনা বুলি কোৱা হয়। 'ধনবৰ আৰু ৰতনী' কবিতাটোতো এনে বৰ্ণনা পোৱা যায়। যেনে — ফুটুকাৰ তলতে যখিনী ছোৱালীটুটুক্ টুক্ চাপৰি বায়।